জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৩/২০২১

# আগন্তুক বৰ্ষত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব গুণোৎসৱ

## গুণোৎসৱৰ পৰীক্ষা আৰু মূল্যাংকন পদ্ধতি অধিক শক্তিশালী কৰাৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ১২ ডিচেম্বৰ ঃ** শিক্ষাৰ গুণগত মান উন্নীতকৰণৰ বাবে আগন্তুক বৰ্ষত ৰাজ্যখনত অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে আজি জনতা ভৱনস্থিতি মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত এক বৈঠক অনুষ্ঠিত হয়।

আজিৰ এই বৈঠকতে দুটা পৰ্যায়ত গুণোৎসৱ আয়োজন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। ২০২২ চনৰ ৫, ৬ আৰু ৭ এপ্ৰিলত প্ৰথম পৰ্যায় আৰু ২০, ২১ আৰু ২২ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত হ'ব। ইয়াৰ জৰিয়তে প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ ৰাজ্যখনৰ ৪২,৫১,৫২৪ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হ'ব। ৰাজ্যখনৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু চাহ বাগিচা ব্যৱস্থাপনাৰে সামৰি লোৱা ৪৬,২৫১ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হ'ব।

বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত শিক্ষাৰ গুণগত মান অধিক উন্নতকৰণৰ বাবে গুণোৎসৱ সফলভাৱে অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ছাত্ৰ-ছাত্ৰীসকলে অৰ্জন কৰা জ্ঞানৰ সঠিক মূল্যায়নৰ বাবে পৰীক্ষা আৰু মূল্যাংকন পদ্ধতি অধিক শক্তিশালী কৰাৰ বাবে শিক্ষা বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে।

বৈঠকত শিক্ষা বিভাগৰ শীৰ্ষ বিষয়াসকলে গুণোৎসৱৰ বাবে বিভাগে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰাজীৰ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত শিক্ষা বিভাগৰ উপদেষ্টা ড° ননী গোপাল মহন্ত, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী ধৰি শিক্ষা বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১২-১২-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in